অধ্যায় ১ ঃ অসমীয়া লিপি আৰু শাসন অধ্যয়ন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.১ পৰিচয়

১.৩ লিপিৰ ধাৰণা

১.৪ ভাৰতীয় লিপি

১.৪.১ খৰোষ্ঠী লিপি

১.৪.২ ব্রাহ্মী লিপি

১.৫ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ

১.৬ অসমীয়া লিপিৰ যুগ বিভাজন

১.৬.১ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি

১.৬.২ মধ্যযুগীয় অসমীয়া লিপি

১.৬.৩ আধুনিক অসমীয়া লিপি

১.৭ কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি

১.৮ চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি

১.৯ লেখন সামগ্রী

১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১১ অধিক জানিবলৈ

১.১২ অগ্রগতিৰ খতিয়ান

১.১৩ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লিপিৰ সূত্র নির্ণয় কৰিব পাৰিব
- প্রাচীন ভাৰতীয় লিপি— খৰোষ্ঠী আৰু ব্রাহ্মীৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- ব্রাহ্মী লিপিৰপৰা অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ কেনেদৰে হৈছে সেয়া বর্ণনা কৰিব পাৰিব
- অসমীয়া লিপিৰ যুগ বিভাজন কৰি প্রত্যেকটো যুগৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক ক্ষয়ৰ ফলি আৰু চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপিৰ বিশেষত্ব নিৰূপণ কৰি ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া লিপিৰ লেখন সামগ্রীৰ লগত পৰিচিত হ'ব।

১.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক অসমীয়া লিপিৰ লগত পৰিচয় কৰাব। অধ্যায়টিৰ আৰম্ভণিতে লিপি কাক বোলে, ইয়াৰ সৃষ্টি আৰু বিকাশ কেনেদৰে হ'ল সেই সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াৰ লগতে প্ৰাচীন ভাৰতীয় লিপি সম্পৰ্কেও কিছু কথা উল্লেখ কৰা হৈছে। প্ৰাচীন ভাৰতৰ প্ৰধান বৈশিষ্ট্যপূৰ্ণ লিপি ব্ৰাহ্মীৰপৰা কালক্ৰমত পুৰণি অসমীয়া লিপি বিকশিত হৈ পৰৱৰ্তী কালত কেনেদৰে আধুনিক অসমীয়া লিপিৰূপে গঢ় লৈছিল সেয়া এই অধ্যায়টিত বিশেষভাৱে ব্যাখ্যা কৰা হৈছে।



লেখন সামগ্ৰী ঃ যিবোৰ বস্তুৰ ওপৰত লিপি খোদাই কৰা হয় আৰু লিপি খোদাই কৰিবলৈ যিবোৰ বস্তু ব্যৱহাৰ কৰা হয় সেইবোৰেই লেখন সামগ্ৰী।

অসমীয়া লিপিৰ অধ্যয়ন প্ৰসঙ্গত লিপিৰ ***লেখন সামগ্ৰীৰ*** বিষয়েও জানিবলগীয়া হয়। সেয়ে এই অধ্যায়ত পুৰণি অসমীয়া লিপিৰ লেখন সামগ্ৰীৰ বিষয়েও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি আপোনাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত 'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি' আৰু 'চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি' নামৰ দুখন শিলালিপিৰ বিষয়ে এই অধ্যায়ত বিশেষভাৱে আলোচনা কৰা হৈছে। এই আলোচনা অধ্যয়নৰ অন্তত আপুনি নিৰ্দিষ্ট লিপি দুখনৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব। অধ্যায়টি পঢ়ি উঠি আপুনি অসমীয়া লিপিৰ ইতিহাসৰ সম্যক পৰিচয় লাভ কৰিব।

১.৩ লিপিৰ ধাৰণা

মানুহে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্ৰতীক-চিহ্ন অথবা ৰেখা-চিত্ৰৰ সহায়ত ৰূপ দিয়া হয় তাৰ নামেই লিপি। প্ৰাচীন ভাৰতত ধাতুৰে নিৰ্মিত জোঙাল মুখৰ কলমৰ সহায়ত ভূৰ্জপত্ৰ, তালপাত আদিত দাগ কাটি তাৰ ওপৰত চিয়াঁহী লেপি দিয়া হৈছিল। এনেধৰণে চিয়াঁহী লেপন কৰা কাৰ্যৰ পৰাই লিপি শব্দৰ উৎপত্তি হৈছে।

খ্ৰীঃ পূঃ ছয় হাজাৰ বছৰমানত লিপিৰ প্ৰাৰম্ভিক বিকাশ হোৱা বুলি পণ্ডিতসকলে অনুমান কৰিছে। আদিম মানৱে নিজৰ বয়বস্তু চিনি পাবৰ বাবে সেইবোৰত কিছুমান দাগ দি লৈছিল; পৰ্বত-পাহাৰৰ গাঁত, প্ৰকাণ্ড শিলত সদায় দেখা গছ-লতা, জীৱ-জন্তুৰ ছবি আঁকিবলৈ চেষ্টা কৰিছিল; পাহৰি নাযাবলৈ ৰছী বা গছৰ বাকলি আদিত গাঁথি দি থৈছিল। এয়াই হৈছে লিপি সৃষ্টিৰ আৰম্ভণী স্তৰ। এই সময়ত বিন্দু, সৰলৰেখা, বক্ৰৰেখা, পূৰণ চিন, বৃত্ত, বিবিধ চিত্ৰ ইত্যাদি প্ৰতীক চিহ্ন আঁকি ভাব প্ৰকাশ কৰা হৈছিল। পাছলৈ এইবোৰ প্ৰতীক চিহ্নৰ বিৱৰ্তনৰ ফলতে লিপিৰ সৃষ্টি হ'ল।

লিপিৰ বিকাশক প্ৰধানকৈ ছটা ভাগত ভাগ কৰা হয়; যথা — চিত্ৰ-লিপি, সূত্ৰ লিপি, প্ৰতীকাত্মক লিপি, ভাবমূলক লিপি, ভাবধ্বনিমূলক লিপি আৰু ধ্বনিমূলক লিপি। চিত্ৰলিপিয়েই হ'ল লেখন কলাৰ প্ৰথম স্তৰ। চিত্ৰলিপিৰ পৰা ক্ৰমবিৱৰ্তনৰ মাজেৰে ধ্বনিমূলক লিপিৰ সৃষ্টি হৈছে। ধ্বনিমূলক লিপি হ'ল লিপিৰ পূৰ্ণবিকশিত ৰূপ। ধ্বনিমূলক লিপিত কোনো চিহ্নই কোনো এটা ধ্বনিৰ কথা সূচায়। সেই ধ্বনিৰ সহায়ত কোনো বস্তু বা ভাব প্ৰকাশ কৰা হয়। আপুনি মন কৰিব যে "জগতৰ প্ৰত্যেক ভাষাতে অসংখ্য নহ'লেও শতাধিক ধ্বনিৰ উচ্চাৰণ হয়। ধ্বনিবোৰৰ প্ৰত্যেকৰে উচ্চাৰণ বৈশিষ্ট্য ৰক্ষা কৰি যিবোৰ প্ৰতীক বা আখৰ লোৱা হয় সেয়ে ধ্বনিমূলক

আখৰ; এই আখৰৰ সমষ্টিয়েই ধ্বনিলিপি।" বৰ্তমান কালত এই ধ্বনিলিপিয়ে পৃথিৱীৰ সকলো ভাষাৰ পৰাই সমাদৰ লাভ কৰিছে। গতিকে আমি ক'ব পাৰোঁ যে লিপি-কলা প্ৰয়োজন অনুসৰি সৃষ্টি কৰি লোৱা 'মানুহৰ এক আচৰিত ক্ষমতাৰ সূচক'।

জানি থোৱা ভাল



পৃথিৱীৰ প্ৰাচীন লিপিবোৰক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি— (১) অক্ষৰ বা বৰ্ণ নথকা লিপি, যেনে— চীনা বা বাণমুখ লিপি আৰু (১) অক্ষৰ বা বৰ্ণ থকা লিপি, যেনে— অসমীয়া, দেৱনাগৰী, ৰোমান আদি। ক্যুনিফৰ্ম (কীলাক্ষৰ) বা বাণমুখ-লিপি বিশ্বৰ প্ৰাচীনতম লিপি। ইয়াৰ প্ৰাচীনতম নিদৰ্শন খ্ৰীঃ পূঃ ৪০০০ বছৰৰ আশে-পাশে পোৱা যায় বুলি পণ্ডিতসকলে অভিমত দিছে।

১.৪ ভাৰতীয় লিপি

অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত লিপিৰ প্ৰচলন আছিল। খ্ৰীষ্টজন্মৰ বহুবছৰ পূৰ্বৰেপৰা এই দেশৰ লেখন কলাই স্বাধীনভাৱে বিকাশৰ সুযোগ পায়। ভাৰতীয় লিপিৰ ক্ৰমবিকাশৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় লিপিমালাই প্ৰধানতঃ দুটা শাখাৰ মাজেৰে বিকাশ লাভ কৰিছিল। সেয়া হৈছে — (১) খৰোষ্ঠী লিপি আৰু (১) ব্ৰাহ্মী লিপি। ইয়াৰে খৰোষ্ঠী ভাৰতৰ উত্তৰ-পশ্চিমাঞ্চলত আৰু ব্ৰাহ্মী আনবোৰ অঞ্চলত বহুলভাৱে ব্যৱহৃত হৈছিল।

১.৪.১ খৰোষ্ঠী লিপি

সম্ৰাট অশোকৰ ***শাসন***সমূহত যি চাৰিপ্ৰকাৰৰ লিপি ব্যৱহাৰ হৈছিল তাৰ ভিতৰত খৰোষ্ঠী অন্যতম। আন তিনিবিধ হ'ল আৰামীয়, গ্ৰীক আৰু ব্ৰাহ্মী। পাকিস্তানৰ মানসেহ্ৰা আৰু শাহ্বাজগঢ়ী নামে ঠাইত খৰোষ্ঠী লিপিত লিখা চৈধ্যখনি ধৰ্মলিপি উদ্ধাৰ হৈছে। এতিয়ালৈকে উদ্ধাৰ হোৱা লিপিৰ ভিতৰত এয়াই খৰোষ্ঠী লিপিৰ প্ৰাচীনতম নিদৰ্শন। এই অনুশাসনকেইখন সম্ৰাট অশোকৰ দিনত লিখিত। অশোকৰ পাছত ভাৰত-যৱন, শক, কুশান আদি ৰজাসকলে খৰোষ্ঠী লিপি ব্যৱহাৰ কৰে। খ্ৰীষ্টজন্মৰ ৩০০ মান বছৰৰ পাছত ভাৰতবৰ্ষত এই লিপিৰ প্ৰয়োগ নোহোৱা হৈ পৰে। এই লিপিক খৰোষ্ঠী বোলাৰ কেইবাটাও কাৰণ আছে। সেয়া এনেধৰণৰ —

- গাধৰ ছালত এই লিপি লিখাৰ আৰম্ভণি হয় বাবে গাধৰ ছাল অৰ্থাৎ 'খৰপৃষ্ঠী'ৰপৰা খৰোষ্ঠী হৈছে।
- গাধ বা 'খৰ' ওঁঠৰ নিচিনা হোৱাৰ বাবে (খৰ + ওষ্ঠ + ঈ) ইয়াৰ নাম খৰোষ্ঠী।
- হিব্ৰুভাষাত 'খৰোশেথ' নামৰ এটি শব্দ আছে। শব্দটিৰ অৰ্থ খোদাই কৰা বা লিখা।



শাসন ঃ ৰজাসকলে নিজৰ ৰাজকীয় কথা, বাণী, বিজয় সংবাদ বা নীতিকথা আদি শিল, তামৰ ফলি আদিত লিপিবদ্ধ কৰিছিল। এইবোৰকে শাসন বোলা হয়। যেনে — শৈলশাসন, তাম্ৰশাসন ইত্যাদি।

সুনীতি কুমাৰ চট্টোপাধ্যায়ে অনুমান কৰে যে হিব্রু 'খৰোশেথ' শব্দটোৱেই সংস্কৃতত খৰোষ্ঠীলৈ পৰিৱর্তিত হয়।

খৰোষ্ঠী লিপিৰ উৎপত্তি সম্বন্ধে মতভেদ থকা দেখা যায়। কিছুসংখ্যক পণ্ডিতে ইয়াক শুদ্ধ ভাৰতীয় লিপি বুলি ক'ব খোজে যদিও কিছুসংখ্যকে কিন্তু এই কথাৰ বিৰোধিতা কৰে। পুৰালিপিতত্ত্ববিদ বুহলৰ, টেলৰ, জোচেফ হলেভী আদিৰ মতে 'খৰোষ্ঠী' আৰামীয় লিপিৰ সৈতে ঘনিষ্ঠভাৱে সম্পর্কিত। অনুমান কৰা হৈছে যে খ্ৰীষ্টপূর্ব পঞ্চম শতিকামানতে এই লিপিয়ে বিকাশ লাভ কৰে।

খৰোষ্ঠী লিপি প্ৰথমতে সোঁফালৰ পৰা বাওঁফাললৈ লিখাৰ নিয়ম আছিল। পাছলৈ কিন্তু বাওঁফালৰপৰা সোঁফাললৈ লিখা নিয়ম চলিল। এই লিপি অত্যন্ত ঘঁহাই লিখা হয়। খৰোষ্ঠী লিপিক পূর্ণলিপি বুলি ধৰা নহয়। ইয়াত দীর্ঘস্বৰ পোৱা নাযায়। সংযুক্ত ব্যঞ্জনৰ সংখ্যাও কম। হ্ৰস্বস্বৰ বুজাবলৈ বৃত্ত আৰু বিভিন্ন ৰেখাৰ প্ৰয়োগ কৰা হয়। বর্তমান কালৰ ভাৰতীয় লিপিৰ অধ্যয়নৰ বাবে খৰোষ্ঠী লিপিৰ বিশেষ মহত্ত্ব নাই বুলিয়েই ধৰা হয়।

১.৪.২ ব্ৰাহ্মী লিপি

ব্ৰাহ্মী প্ৰাচীন ভাৰতৰ এটা উল্লেখযোগ্য লিপি। এই লিপিৰ প্ৰাচীনতম নিদর্শন নেপালৰ 'পিপৰাৱা স্তূপ' আৰু আজমিৰ জিলাৰ 'বডলী' গাঁৱৰ শিলালেখত পোৱা হৈছে। ইয়াৰ সময় খ্ৰীষ্টপূর্ব পঞ্চম শতিকা বুলি ধৰা হৈছে। সেই সময়ৰপৰা তিনিশ পঞ্চাশ খ্ৰীষ্টাব্দলৈকে এই লিপিৰ ব্যৱহাৰ পোৱা যায়। লিপিটোৰ নাম ব্ৰাহ্মী কেনেকৈ হ'ল সেই বিষয়েও নানা মত পোৱা যায়। ভাৰতীয় ধাৰণামতে এই লিপি ভাৰতৰ নিজা সমল তথা স্বয়ং ব্ৰহ্মা ইয়াৰ নির্মাতা। সেই হেতু ইয়াৰ নাম ব্ৰাহ্মী। চীনা বিশ্বকোষ *ফা-ৱান-শু-লিন* মতেও ব্ৰহ্মাই (ফান্) পোন প্ৰথমে এই লিপি ব্যৱহাৰ কৰাৰ কাৰণে ইয়াৰ নাম ব্ৰাহ্মী হয়। ব্ৰহ্ম বা ব্ৰহ্মা নামৰ কোনো আচার্যই উলিওৱা বাবে ব্ৰাহ্মী হোৱা বুলিও মন্তব্য পোৱা যায়। ব্ৰহ্ম (জ্ঞান)ৰ ৰক্ষাৰ কাৰণে ব্যৱহাৰ হোৱা বাবে ব্ৰাহ্মী বুলি কোৱা হ'ল— এনে মতো আছে। এই আটাইবোৰ মত কেৱল অনুমানৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা।

ব্ৰাহ্মী লিপিৰ উৎপত্তিৰ বিষয়েও দেশী-বিদেশী নান পণ্ডিতে নানা মত প্ৰকাশ কৰিছে। সেইবোৰৰ ভিতৰত দুই ধৰণৰ মত পোৱা যায়। এক শ্ৰেণীৰ মত অনুসৰি ব্ৰাহ্মীৰ কোনো বিদেশী লিপিৰপৰা উদ্ভৱ হৈছে। আন শ্ৰেণী লোকৰ মত অনুসৰি ব্ৰাহ্মীৰ উৎপত্তি ভাৰতবর্ষতে হৈছে। আটফ্ৰেড ম্যুলাৰে (Otfried Mueller) আলেকজেণ্ডাৰৰ আক্ৰমণৰ ফলস্বৰূপেই ভাৰতবর্ষত লেখন প্ৰথাই খোপনি পোতে বুলি স্পষ্টভাৱে মত প্ৰকাশ কৰিছে। এওঁৰ মতে ব্ৰাহ্মী ভাৰতৰ বাহিৰৰ লিপি। এচাম পাশ্চাত্য পণ্ডিতে ছেমীয় লিপিৰ আধাৰত ব্ৰাহ্মী লিপি বিকাশ হোৱা বুলি ভাবে। আনহাতে এফ. মেচনে (F. Mason) কয় যে খ্ৰীষ্টজন্মৰ ছয় শতাব্দী পূর্বেই ভাৰতীয় বর্ণমালাৰ সৃষ্টি হৈছিল

আৰু গৌতম বুদ্ধৰ জন্মৰ আগেয়ে তাৰ বহুল প্ৰয়োগ আছিল। সেইদৰে ভাষাতত্ত্ববিদ জন বিমেও (J. Beam) ব্ৰাহ্মী লিপিৰ উৎপত্তি আৰু বিকাশ ভাৰতবৰ্ষতে হোৱা বুলি ভাবে।

ভাৰতীয় ব্ৰাহ্মী লিপিৰ উৎস বিচাৰি ***সিন্ধুলিপিৰ*** ওচৰ চাপিলে ভালেখিনি সমস্যা কমি যায়। সিন্ধুলিপি চিত্ৰলিপি, ভাবলিপি আৰু ভাবধ্বনিমূলক লিপিৰ সমাহাৰ। এই সিন্ধুলিপিৰ পৰাই কালক্ৰমত ব্ৰাহ্মীৰ বিকাশ হোৱাৰ সম্ভাৱনা বেছি। ভোলানাথ তিৰাৰীয়ে ১৯৫৫ চনতে সিন্ধুলিপিৰ দহটা চিহ্নৰে ব্ৰাহ্মীৰ দহোটা আখৰৰ হুবহু মিল দেখুৱাই ব্ৰাহ্মী লিপি যে সিন্ধুলিপিৰেই পৰৱৰ্তী স্তৰ সেই কথা প্ৰতিপন্ন কৰে। হৰদেৱ বাহৰীয়ে তেওঁৰ *হিন্দী ঃ উদ্ভৱ, বিকাশ ঔৰ ৰূপ* নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে "বৈদিক সাহিত্যৰ ৰক্ষাৰ কাৰণে ভাৰতত ব্ৰাহ্মী লিপিৰ উৎপত্তি অতি প্ৰাচীন কালতে হয়। যিসকল আচাৰ্য ধ্বনিশাস্ত্ৰ, ব্যাকৰণ আৰু শব্দ-বিজ্ঞান বিষয়ত বিশ্বৰ অগ্ৰণী আছিল, তেওঁলোকেই ইয়াৰ আৱিষ্কাৰক।"

৩৫০ খ্ৰীষ্টাব্দৰ পাছত ব্ৰাহ্মী দুটা ভাগত বিভক্ত হয়— (১) উত্তৰ ব্ৰাহ্মী আৰু (২) দক্ষিণ ব্ৰাহ্মী। ইয়াৰে উত্তৰ ব্ৰাহ্মী উত্তৰ ভাৰতত আৰু দক্ষিণ ব্ৰাহ্মী দক্ষিণ ভাৰতত প্ৰচলিত হয়। ব্ৰাহ্মীৰ উত্তৰ শৈলীৰপৰা গুপ্তলিপিৰ উদ্ভৱ হয়। গুপ্তলিপিৰ সময় চতুৰ্থ-পঞ্চম শতিকা। এই গুপ্তলিপিৰ ক্ৰমবিকাশৰ ফলত কুটিল লিপিৰ জন্ম হয়। ইয়াৰ সময়সীমা খ্ৰীঃ ষষ্ঠৰপৰা নৱম শতিকা বুলি অনুমান কৰা হৈছে। এই কুটিল লিপিৰ পৰাই প্ৰায়বোৰ ভাৰতীয় আঞ্চলিক লিপিৰ জন্ম হৈছে। আনহাতে ব্ৰাহ্মীৰ দক্ষিণ শৈলীৰপৰা দক্ষিণ ভাৰতীয় লিপিসমূহ আৰু লগতে ভাৰতৰ বাহিৰৰ, যেনে— শ্ৰীলংকা, ম্যানমাৰ, কোৰিয়া আদি দেশৰ লিপিৰ বিকাশ হৈছে।

ব্ৰাহ্মী লিপি সাধাৰণতে বাওঁফালৰপৰা সোঁফাললৈ লিখা হয়। কুশান নৃপতিসকলৰ দিনত এই লিপিৰ ৰূপৰ ভালেখিনি সালসলনি হয়। ব্ৰাহ্মী লিপিৰ গঢ় সুন্দৰ আৰু সুপৰিকল্পিত। অপ্ৰয়োজনীয় প্ৰতীক চিহ্ন পোৱা নাযায়। কেইবাটাও স্তৰ অতিক্ৰম কৰিহে ই বিকশিত আৰু পৰিৱৰ্তিত হৈছে। প্ৰধানভাৱে ব্ৰাহ্মীৰ বিকাশৰ স্তৰ চাৰিটা—

(১) অশোকৰ অনুশাসনৰ লিপি (২) কুশান যুগৰ লিপি
(৩) গুপ্তযুগৰ লিপি আৰু (৪) প্ৰাচীন আঞ্চলিক লিপিৰ আদি ৰূপ।



সিন্ধুলিপি ঃ ভাৰতবৰ্ষৰ প্ৰাচীনতম লেখন কলাৰ সম্ভেদ প্ৰাক্-বৈদিক যুগৰ সিন্ধু সভ্যতাই আমাক দিয়ে। সিন্ধু লিপি এই সময়ৰে লিপি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক)উচ্চাৰিত ধ্বনিসমূহক যি প্ৰতীক-চিহ্ন অথবা ৰেখা-চিত্ৰৰ সহায়েৰে ৰূপ দিয়া হয় তাকেই লিপি বুলি অভিহিত কৰা যায়।

(খ) খ্ৰীঃ পূঃ তিনি হাজাৰ বছৰমানত লিপিৰ বিকাশ হৈছিল।

(গ) লিপিৰ পূৰ্ণ বিকশিত ৰূপ হৈছে ভাবমূলক লিপি।

(ঘ) কুটিললিপিৰ বিকাশ সাধন হৈছে খৰোষ্ঠী লিপিৰ পৰা।

(ঙ) প্ৰধানতঃ ব্ৰাহ্মীলিপিৰ বিকাশৰ স্তৰ চাৰিটা।

.....

প্ৰশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক —

(ক) উচ্চাৰিত ধ্বনিসমূহক যি ..... সহায়েৰে ৰূপ দিয়া হয় তাকেই লিপি বোলে।

(খ) লিপিৰ বিকাশক প্ৰধানতঃ ..... ভাগত ভগাব পাৰি।

(গ) খৰোষ্ঠী লিপিয়ে বিকাশ লাভ কৰে .....শতিকামানৰ পৰা।

(ঘ) কুটিললিপিৰ বিকাশ সাধন হৈছে ..... পৰা।

১.৫ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ

অসমীয়া লিপি পূব ভাৰতৰ এটা বৈশিষ্ট্যপূৰ্ণ লিপি। অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে পূৰ্বতে হোৱা আলোচনাৰ বেছিভাগতে ব্ৰাহ্মীৰ পৰৱৰ্তী স্তৰ কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ জন্ম হৈছে বুলি মত পোষণ কৰা দেখা যায়। *অসমীয়া প্ৰাচীন লিপি* নামৰ গ্ৰন্থত সৰ্বেশ্বৰ কটকীয়ে অসমীয়া লিপিৰ বিষয়ে লিখিছে—"ব্ৰাহ্মী লিপি প্ৰথম, কুষাণলিপি দ্বিতীয়, গুপ্তলিপি তৃতীয় আৰু এই গুপ্তলিপিৰ পূবভাৰতীয় কুটিললিপি চতুৰ্থ, আৰু এই কুটিললিপিৰ পৰিৱৰ্তন আৰু সংমিশ্ৰণ ঘটি ঘটা কামৰূপ-লিপি বা পুৰণি অসমীয়া লিপিয়ে পূবভাৰতীয় ভাষাৰ বংশ-লতিকাত পঞ্চম স্থান অধিকাৰ কৰিছে বুলি স্থিৰ কৰিব পাৰি। আৰু এয়ে অসমীয়া লিপিৰ উৎপত্তি।" সুনীতি কুমাৰ চেটাৰ্জী, টি.পি.বাৰ্মা আদিৰ লগতে মহেশ্বৰ নেওগেও তেওঁৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* একে মতকে পোষণ কৰিছে। কিন্তু সম্প্ৰতি 'অসমীয়া লিপি কুটিল লিপিৰপৰা জন্ম হৈছে' বোলা মত একে আষাৰতে মানি লোৱা হোৱা নাই। কিয়নো কুটিল লিপিৰ জন্মকাল ধৰা হয় ষষ্ঠ শতিকাৰ পৰা; কিন্তু অসমত পঞ্চম শতিকাৰ পৰাই শিলালিপিৰ নিদৰ্শন পোৱা গৈছে। এই সম্পৰ্কে উপেন্দ্ৰনাথ গোস্বামীদেৱে স্পষ্টভাৱে কৈছে— "এই লিপিৰ মূল ব্ৰাহ্মী আৰু তাৰ পৰৱৰ্তী গুপ্তলিপি। ইয়াক কুটিল লিপিৰ লগত সাঙোৰাৰ যুক্তি বিশেষ নাই।...উমাচলৰ শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ লিপিত পোৱা আখৰবোৰক গুপ্তলিপিৰ আখৰবোৰৰ সৈতে ৰিজাই চালে এই শিলালিপি দুখনৰ প্ৰায়বোৰ আখৰেই গুপ্তলিপিত পোৱা আখৰৰ সৈতে একোটা ৰূপত পোৱা যায়।" দৰাচলতে গুপ্তকালীন ব্ৰাহ্মী লিপিৰ উত্তৰ ভাৰতীয় পূৰ্বী শাখাৰপৰা কালক্ৰমত অসমীয়া লিপি বিকশিত হৈছে।

পুৰণি অসমৰ বিভিন্ন স্থানত উদ্ধাৰ হোৱা অভিলেখ, মোহৰ আৰু মুদ্ৰাৰ উপৰি ভূৰ্জপত্ৰ, সাঁচিপাত, তুলাপাত, তালপাত, দাৰুফলক, কাপোৰ, ধাতু আৰু মাটিৰ পাত্ৰ, ইটা ইত্যাদিত উৎকীৰ্ণ লিপিসমূহৰ সহায়ত অসমীয়া লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ৰূপৰেখা অংকন কৰিব পাৰি। ইয়াৰে অভিলেখসমূহ গিৰি শৈলৰ উপৰি তাম্ৰপত্ৰ, ধাতৱমূৰ্তি, শিলৰ ফলি আদিত

উৎকীর্ণ। পাছৰ কালৰ অসমীয়া লিপিৰ নিদর্শন বৰটোপ, কামান, শৰাই, ৰূপৰ জাপি, কাঁহী ইত্যাদিতো পোৱা গৈছে। খ্রীষ্টীয় পঞ্চম শতিকাৰ পৰা আৰম্ভ কৰি পৰৱর্তী কালত বিবিধ স্থানত প্রাপ্ত বিভিন্ন শৈললেখ আৰু তামৰ ফলিৰ অধ্যয়নে এই কথা স্পষ্টভাৱে দেখুৱাই দিয়ে যে অসমীয়া লিপি অসমৰ শিলালেখ আৰু তামৰ ফলিবোৰত ব্যৱহৃত লিপিৰ বিকাশপ্রাপ্ত এটা ৰূপ। খ্রীষ্টীয় পঞ্চম শতিকাৰ বুলি ঠাৱৰ কৰা 'নগাজৰী খনিকৰ গাঁও প্রস্তৰখণ্ড লিপি'খনেই হৈছে এতিয়ালৈকে প্রাপ্ত অসমীয়া লিপিৰ প্রাচীনতম নিদর্শন। ইয়াৰ পৰৱর্তী কালৰ লিপিখন হৈছে কামৰূপৰাজ সুৱেন্দ্রবর্মাৰ 'উমাচল লিপি'। ইয়াৰ সময় আনুমানিক পঞ্চম শতিকাৰ শেষভাগ। এই শিলালেখা দুখনৰ— ই, ক, খ, গ, চ, জ, ড, ণ, ত, দ, ধ, ন, প, ব, ভ, ম, য, ৰ, ল, ৱ, শ, ষ, স, হ, আৰু ৰা, জা, ণা, ধি, কী, গু, কৃ আদিৰ ৰূপ গুপ্ত আখৰৰ সৈতে একে। এই দুখন শিলালিপিৰ পাছৰ সপ্তম শতিকাৰ ভাস্কৰবর্মাৰ তামৰ ফলিৰ আখৰবোৰত ব্রাহ্মী আৰু গুপ্তলিপিৰ আখৰৰ পৰম্পৰা ৰৈ যোৱা দেখা যায়। ভাস্কৰবর্মাৰ তাম্রশাসনকেইখনৰ মাজত 'ডুবিৰ তাম্রশাসন' আৰু 'নিধনপুৰ তাম্রশাসন'ৰ গঢ় সুকীয়া। মন কৰিবলগীয়া যে নিধনপুৰ তাম্রশাসনৰ ক, ব, ল আদি আখৰবোৰ একেবাৰে আধুনিক ৰূপৰ।

নৱম শতিকাৰ তাম্র-শাসনবোৰত আখৰৰ গঢ় পৰিৱর্তন হোৱা পৰিলক্ষিত হয়। নৱমৰপৰা দশম শতিকাৰ আদিভাগৰ মাজৰ সময়ছোৱাৰেপৰা তামৰ ফলিত আখৰে আধুনিক অসমীয়া আখৰৰ গঢ় ল'বলৈ আৰম্ভ কৰে। উদাহৰণস্বৰূপে এই সময়ছোৱাৰেপৰা আ-কাৰ, ই-কাৰ আদিৰ গঢ় সম্পূর্ণ পৰিৱর্তিত হয়। ভালেখিনি ব্যঞ্জন-বর্ণ আৰু যুক্ত-ব্যঞ্জন বর্ণই আধুনিকতাৰ কাষ চাপে। এনেদৰে নৱম-দশম শতিকাতে অসমীয়া লিপিয়ে এটা সুকীয়া ৰূপ লয়। পাছত ক্রমান্বয়ে পৰিৱর্তনৰ মাজেৰে আহি ত্রয়োদশ শতিকাৰ কানাই বৰশীবোৱা তুৰুষ্ক-ক্ষয়ৰ শিলৰ ফলিত সম্পূর্ণ অসমীয়া লিপিৰূপে আত্মপ্রকাশ কৰেহি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ এতিয়ালৈকে প্রাপ্ত অসমীয়া লিপিৰ প্রাচীনতম নিদর্শন কি?

.....

প্রশ্ন নং ৪ ঃ *অসমীয়া প্রাচীন লিপি* পুথিখনৰ ৰচক কোন?

.....

১.৬ অসমীয়া লিপিৰ যুগবিভাজন

খ্রীষ্টীয় পঞ্চম শতিকাৰপৰা সাম্প্রতিক কাললৈকে অসমীয়া লিপিৰ ক্রমবিকাশৰ ধাৰাটোক প্রধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি —

(১) খ্রীষ্টীয় চতুর্থ-পঞ্চম শতিকাৰপৰা ত্রয়োদশ শতিকালৈ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি,

(১) খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পাছৰপৰা ঊনবিংশ শতিকাৰ মাজভাগলৈ (*অৰুনোদইৰ* জন্মকাললৈ) মধ্যযুগীয় অসমীয়া লিপি আৰু

(৩) ঊনবিংশ শতিকাৰ মাজভাগৰপৰা বৰ্তমানলৈকে আধুনিক অসমীয়া লিপি।

এইখিনিতে মনত ৰাখিব যে অসমীয়া লিপিৰ যুগ বিভাজন বিভিন্নজন পণ্ডিতে বিভিন্ন নামেৰে কৰিছে।

১.৬.১ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি

খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিৰ পৰা ১১০৫ খ্ৰীষ্টাব্দত কানাই বৰশীবোৱা শিলালিপি পৰ্যন্ত এই সময়ছোৱাৰ লিপিৰ ইতিহাসক 'কামৰূপী লিপি'ৰ অন্তৰ্ভুক্ত কৰিব পাৰি। কামৰূপী লিপিৰ কিছুসংখ্যক নিদৰ্শন হ'ল— নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি, সুৰেন্দ্ৰৱৰ্মা উমাচল শৈললিপি, ভূতিবৰ্মাৰ দিনৰ বৰগংগা শিলালিপি (ষষ্ঠ শতাব্দীৰ), ভাস্কৰৱৰ্মাৰ ডুবি আৰু নিধনপুৰ তাম্ৰশাসন (খ্ৰীঃ সপ্তম শতাব্দী), দেওপানী বিষ্ণুমূৰ্তিলিপি (খ্ৰীঃ অষ্টম শতাব্দী), হৰ্জৰৱৰ্মাদেৱৰ শৈললিপি (খ্ৰীঃ নৱম শতাব্দী), বনমালৱৰ্মাদেৱৰ তেজপুৰ আৰু পৰ্বতীয়া তাম্ৰশাসন (খ্ৰীঃ নৱম শতাব্দী), কাকীৰ সূৰ্য প্ৰতিমা লিপি (খ্ৰীঃ নৱম শতাব্দী), নৰকাসুৰ দেৱীমূৰ্তি লিপি (খ্ৰীঃ নৱম শতাব্দী), তৃতীয় বলৱৰ্মাৰ উত্তৰ বৰবিল শৈলশাসন আৰু নগাঁও শাসন (খ্ৰীঃ নৱম শতাব্দীৰ অন্তিম আৰু দশম শতাব্দীৰ প্ৰথম চৰণ), তৃতীয় বলৱৰ্মাদেৱৰ উলুবাৰী শাসন (খ্ৰীঃ নৱম শতাব্দীৰ অন্তিম আৰু দশম শতাব্দীৰ প্ৰথম চৰণ), ৰত্নপালৰ বৰগাঁও আৰু শুৱালকুছি শাসন (খ্ৰীঃ একাদশ শতাব্দী), ৰত্নপালৰ চৰাতবাৰী শাসন (খ্ৰীঃ একাদশ শতাব্দী), ইন্দ্ৰপালৰ গুৱাহাটী, গুৱাকুছি আৰু এৰাদীঘলপানী শাসন (খ্ৰীঃ একাদশ শতাব্দী), ধৰ্মপালৰ খনামুখ, শুভংকৰ পাটক আৰু পুষ্পভদ্ৰা শাসন (খ্ৰীঃ দ্বাদশ শতাব্দী), বৈদ্যদেৱৰ কমৌলী শাসন (খ্ৰীঃ দ্বাদশ শতাব্দী), বল্লভদেৱৰ অসম শাসন (খ্ৰীঃ দ্বাদশ শতাব্দী) ইত্যাদি। তলত কেইখনমান উল্লেখযোগ্য লিপিৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল —

- *নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি ঃ* ১৯৭১ চনত গোলাঘাটৰ সৰুপথাৰৰ ওচৰৰ নগাজৰী খনিকৰ গাঁৱত এই লিপিখনি উদ্ধাৰ হয়। এই লিপিৰ আখৰৰ লগত প্ৰাক্-গুপ্তকালীন লিপিৰ আখৰৰ মিল থকা বুলিও পণ্ডিতসকলে মত দিছে। মুকুন্দ মাধৱ শৰ্মাই লিপিখনৰ বৈশিষ্ট্য আৰু সময় সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে এই বুলি যে "উমাচল শিলালিপি আৰু বৰগংগা শিলালিপিৰ সৈতে এই লিপিৰ যথেষ্ট সাদৃশ্য আছে। তথাপি ব আৰু ৱ আখৰৰ পাৰ্থক্য ৰখালৈ চাই... ... ইয়াক সংস্কৃত ভাষাত লিখিত এতিয়ালৈকে আৱিষ্কৃত অসমৰ প্ৰাচীনতম লিপি বুলি ভাবিবৰ অৱকাশ আছে।" এই লিপিখনৰ সময় খ্ৰীষ্টীয় পঞ্চম শতিকাৰ আদিভাগ বুলি কোৱা হৈছে। নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপিৰ সৈতে সমুদ্ৰগুপ্তৰ

এলাহাবাদ স্তম্ভলেখৰ চ, ম, মা, মু, ৰা আদি অক্ষৰৰ হুবহু মিল দেখা যায়। অন্যান্য আখৰসমূহো এলাহাবাদ প্রশস্তি লিপিৰপৰা অধিক আঁতৰত নহয় বুলি অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাদেৱে মত প্রকাশ কৰিছে।

চিত্র ২.১ ঃ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি



উৎস ঃ *অসমীয়া প্রাচীন লিপি*, সর্বেশ্বৰ কটকী

বুৰঞ্জীৰ মতে সমুদ্রগুপ্ত ৩১০ খ্রীষ্টাব্দৰ পাছত ৰাজপাটত বহি খ্রীষ্টীয় ৩৮০ত মৃত্যুবৰণ কৰে। গতিকে সমুদ্রগুপ্তৰ এলাহাবাদ প্রশস্তিৰ সমসাময়িক নগাজৰী খনিকৰ গাঁও প্রস্তৰখণ্ড লিপিক চতুর্থ শতাব্দীৰ অন্তিম তৰংগত থাপিব পাৰি বুলিও লিপি বিশেষজ্ঞসকলে মত দিছে।

- *সুৰেন্দ্রৱর্মা উমাচল শৈললিপি ঃ* ১৯৫৫ চনত এই ফলিখনিৰ কথা পোহৰলৈ আহে। মাত্র চাৰিটা শাৰীত সম্পূর্ণ হোৱা ফলিখনৰ পাঠ এনেধৰণৰ —

  মহাৰাজাধিৰাজ শ্রী
  সুৰেন্দ্রবর্ম্মণা কৃতম্
  ভগৱতঃ ৱলভদ্র
  স্বামিনায় ইদং গুহং

নীলাচল পাহাৰৰ উত্তৰপূব কোণত অৱস্থিত উমাচলৰ ভগৱান বলভদ্রৰ পূজাসেৱাৰ অর্থে নির্মিত গুহামন্দিৰৰ এই শৈললেখখনি খ্রীঃ ৪৫০-৪৮০ সময় ৰেখাৰ ভিতৰত উৎকীর্ণ কৰা বুলি পণ্ডিতসকলে সিদ্ধান্ত দিছে। লিপিখনিৰ মুঠ অক্ষৰ সংখ্যা ৩৩। লিপিৰ একক অক্ষৰ ১৭ টা, যুক্তাক্ষৰ ৫ টা আৰু হলন্ত এটা। ১৭ টা অক্ষৰৰ ভিতৰত ই, ক, জ, ত, ন, ভ, ম, ৰ আৰু ৱ— এই নটা অক্ষৰ গুপ্তলিপিৰে অভিন্ন— বাকী অক্ষৰকেইটাৰ ৰূপ প্রাক্-গুপ্তযুগৰ বুলি অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাদেৱে মত পোষণ কৰিছে।

➢ *ভাস্কৰৱর্মাৰ ডুবি তাম্রশাসন (খ্রীঃ সপ্তম শতাব্দীৰ) ঃ* এই ফলিখনত মুঠতে ছখনি তাম্রফলক আছিল যদিও উদ্ধাৰৰ কালতে অন্তিম ফলকখনি নষ্ট হয়। হস্তী অংকিত আঙঠিৰে বন্ধা তাম্রশাসনখনিৰ প্রথম ফলকখনিৰ ভিতৰৰ ফালে আৰু বাকীকেইখনি ফলকৰ দুয়োফালে লিখা। মুঠ শাৰীৰ সংখ্যা ১১৭, ইয়াত ৭৬ টা শ্লোক আছে; অৱশিষ্ট অংশ গদ্যত লিখা। ৰজা ভূর্তিৱর্মাই প্রদান কৰা চনদখনি মচ খাই যোৱাৰ ফলত কুমাৰ ভাস্কৰৱর্মাই এই তাম্রশাসনখনি একে উদ্দেশ্যে ইতিপূর্বে প্রদান কৰা ব্রাহ্মণসকললৈ প্রদান কৰিছিল (ডুবি তাম্রশাসন, শ্লোক ৭৬) প্রাগ্‌জ্যোতিষৰপৰা প্রদান কৰা এই শাসনখনি সপ্তম শতাব্দীৰ আদিকালৰ সম্পদ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া লিপিৰ কোন লিপিৰ পৰা বিকাশ সাধন হৈছে ?

.....

প্রশ্ন নং ৬ ঃ খালি ঠাই পূৰণ কৰক—

(ক) অসমীয়া লিপিৰ ক্রমবিকাশৰ ধাৰাটিক প্রধানতঃ.....ভাগত ভাগ কৰা হৈছে।

(খ) ..... চনত নগাজৰী খনিকৰ গাঁৱৰ লিপিখনি উদ্ধাৰ হয়।

(গ) উমাচল শৈললিপিত মুঠতে .....টা অক্ষৰ আছে।

১.৬.২ মধ্যযুগীয় অসমীয়া লিপি

খ্রীষ্টীয় ত্রয়োদশ শতিকাৰ প্রথমার্ধত খোদিত উত্তৰ গুৱাহাটীৰ 'কানাই বৰশীবোৱা তুৰুষ্ক-ক্ষয়ৰ শিলৰফলি'ৰ আখৰক মধ্যযুগীয় অসমীয়া লিপিৰ প্রথম নিদর্শন ৰূপে সাব্যস্ত কৰিব পাৰি। এই শতাব্দীৰে অন্যান্য লিপিৰ উদাহৰণ হৈছে— আমবাৰী শিলালিপি, *চর্যাগীতিকোষ* আৰু *দোহাকোষপঞ্জিৰ* লিপি আদি। ইয়াৰ পাছৰ খ্রীষ্টীয় চতুর্দশ শতাব্দীৰ মধ্যযুগীয় অসমীয়া লিপিৰ নিদর্শনসমূহ পোৱা যায়— গছতল স্তম্ভলিপি, পুৰুষোত্তম দাসৰ ৰাউতকুছি তাম্রশাসন, সধয়াপুৰীশ্বৰ মাধৱদেৱৰ নীলাচল তাম্রলেখ ইত্যাদিত। পৰৱর্তী ষোড়শ শতাব্দীৰ নিদর্শনসমূহ ৰক্ষিত হৈছে— কামাখ্যা মন্দিৰৰ শিলৰ ফলি, মহাৰাজ নৰনাৰায়ণৰ মুদ্রাৰ লিপি, হয়গ্রীৱ মাধৱৰ শিলৰ ফলি ইত্যাদিত। মন কৰিব যে খ্রীষ্টীয় ষোড়শ-অষ্টাদশ শতাব্দীৰ সময়ছোৱাত অসমত বহুলভাৱে দুবিধ লিপিৰ প্রচলন আছিল। তাৰে এবিধৰ নাম টাই বা আহোম লিপি; ইয়াক 'অসমাক্ষৰ' বুলিও কোৱা হয়। আনবিধ পুৰণি অসমীয়া। ইয়াক 'হেন্দুৱান' বা 'হিন্দুঅক্ষৰ' ৰূপেও জনা গৈছিল।




জানি থোৱা ভাল

মধ্যযুগীয় অসমীয়া লিপিয়ে আহোম, কোঁচ, দৰঙী আদি ৰজাসকল আৰু বৈষ্ণৱ সত্রানুষ্ঠানসমূহৰ পৃষ্ঠপোষকতাত বিকাশৰ সুযোগ লাভ কৰিছিল।

মধ্যযুগীয় অসমীয়া লিপিক গড়গঞা, কাইথেলী আৰু বামুণীয়া এইকেইটা ভাগত বিভাজিত কৰা দেখা যায়। প্রকৃততে এই তিনিটা ভাগ হৈছে মধ্যযুগীয় অসমীয়া লিপিৰ তিনিটা প্রধান ৰীতি বা শৈলী।

- *গড়গঞা লিপি ঃ* গড়গাঁও আহোম স্বর্গদেউসকলৰ ৰাজধানী আছিল। ৰাজধানী গড়গাঁৱক কেন্দ্র কৰি মধ্যযুগীয় অসমীয়া সাহিত্য আৰু সংস্কৃতিয়ে আত্মপ্রকাশৰ সুযোগ লাভ কৰিছিল। 'গড়গঞা লিপি' সম্পূর্ণৰূপে ভৌগোলিক নামকৰণ। ৰাজধানী গড়গাঁৱক কেন্দ্র কৰি বিকশিত হোৱা বাবেই এই লিপিৰ নাম গড়গঞা। সত্যেন্দ্রনাথ শর্মাদেৱে স্পষ্টভাৱে কৈছে— "আহোম ৰাজধানীক কেন্দ্র কৰি উজনিত এই লিপিভংগীৰ প্রচলন হয় কাৰণেই ইয়াৰ নামকৰণ হয় গড়গঞা।" 'গড়গঞা শৈলী'ৰ বৈশিষ্ট্য সন্দর্ভত মহেশ্বৰ নেওগদেৱে লিখিছে যে 'ই বৰ সৰল আৰু নিৰলংকাৰ।' লীলা গগৈকে প্রমুখ্য কৰি আলোচকসকলৰ মতে ঠ, ন, ল আৰু দুটামান যুক্তাক্ষৰক বাদ দিলে বাকীবোৰ গড়গঞা আখৰ আধুনিক অসমীয়া আখৱেৰে অভিন্ন।

চিত্র ২.২ ঃ গড়গঞা লিপিৰ নিদর্শন (বুৰঞ্জীৰ পৰা লোৱা)



উৎস ঃ *অসমীয়া প্রাচীন লিপি*, সর্বেশ্বৰ কটকী




জানি থোৱা ভাল

আহোম ৰজাসকলে বুৰঞ্জীৰ লগতে অন্যান্য পুথি-পাঁজি লিখাবলৈ অথবা নকল কৰিবলৈ 'লেখকৰ বৰুৱা' বা 'লেখাৰু' নামৰ এটা খেলৰ সৃষ্টি কৰিছিল। ৰজাৰ পৃষ্ঠপোষকতাত পুথিবোৰ লিখা বাবে গড়গঞা লিপিৰ আখৱবোৰ ধুনীয়া আৰু একে গঢ়ৰ হৈ পৰিছিল।

বুৰঞ্জীসমূহ প্ৰথমতে আহোম ভাষা আৰু টাই লিপিত লিখা হৈছিল। পাছত আহোমসকলে অসমীয়া ভাষাক ৰাজভাষাৰূপে গ্ৰহণ কৰাৰ পৰাহে বুৰঞ্জীসমূহো অসমীয়া ভাষা আৰু আখৰত লিখাৰ নিয়ম হ'ল। পাছৰ কালত বহুতো বুৰঞ্জী আহোম ভাষাৰপৰা অসমীয়ালৈ অনুবাদ বা ভাষান্তৰ কৰা হৈছিল। এনে কৰাৰ ফলত আহোম ভাষা আৰু লিপিৰ প্ৰভাৱ লেখক অথবা লিপিকৰৰ ওপৰত পৰাটো স্বাভাৱিক। মহেন্দ্ৰ বৰাই গড়গঞা শৈলীত লিখা 'ণ' লিপিত টাই লিপিৰ প্ৰভাৱ লক্ষ্য কৰিছে। অকল এটা আখৰতে নহয়; বুৰঞ্জীবোৰৰ ভালেকেইটা আখৰতে টাই লিপিৰ প্ৰভাৱ দেখা গৈছে। গতিকে অনুমান কৰিব পাৰি, "টাই লিপিৰ প্ৰভাৱ পুষ্ট নিৰলংকাৰ গোট গোট লিপিয়ে 'গড়গঞা'।" এই 'গড়গঞা লিপি' পোনপ্ৰথমে বুৰঞ্জীৰ নকলত প্ৰয়োগ কৰা হৈছিল যদিও পাছলৈ পদ পুথি আৰু অভিলেখলৈকেও ই সম্প্ৰসাৰিত হয়।

- *কাইথেলী লিপি ঃ* পুথি ৰচনা, নকল তথা হিচাপ-পত্ৰ ৰাখিবৰ কাৰণে কায়স্থসকলে ব্যৱহাৰ কৰা লিপিটোৱেই হ'ল কাইথেলী লিপি। কাইথেলী নামটো গড়গঞাৰ দৰে ভৌগোলিক নহয়— সাম্প্ৰদায়িকহে। কায়স্থসকলে এই লিপি সংৰক্ষণ কৰা কাৰণেই ইয়াৰ নাম কাইথেলী। কাইথেলী লিপি 'লহকৰী' নামেৰেও পৰিচিত। নামনি অসমৰ কায়স্থসকলৰ ভালেখিনি লোক লহকৰ উপাধিধাৰী। এই লহকৰ উপাধিৰ লোকে লিখা আখৰেই লহকৰী। *হস্তীবিদ্যাৰ্ণৱ, ধৰ্মপুৰাণ, শঙ্খচূড় বধ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কিতাবৎ মঞ্জৰী* আদি কাইথেলী লিপিত লিখা পুথিৰ বিশিষ্ট উদাহৰণ।

চিত্ৰ ২.৩ ঃ কাইথেলী লিপি (*নামঘোষাৰপৰা লোৱা*)



উৎস ঃ *অসমীয়া প্ৰাচীন লিপি*, সৰ্বেশ্বৰ কটকী

পণ্ডিতসকলে কাইথেলী লিপিৰ বৈশিষ্ট্য নিৰূপণ কৰিছে এনেদৰে —

- পাকৰ সংখ্যা অলপ বেছি হ'লেও এইবিধ আখৰ 'মুকুতা যেন ফটফটীয়া'।
- এইলিপিত লিখা শাৰীবোৰ সমান সমান। আখৰবোৰ দীঘল-চুটি হ'ব নোৱাৰে আৰু শাৰী বৰ ঘনো নহয়-পাতলো নহয়।
- এই লিপিভংগীত আখৰৰ ওপৰৰ টিকনিডাল (উ, ট, ঠ ইত্যাদিত) আৰু তলৰ ৰেখা বা ডাঁৰডাল সোঁফালৰ লম্ব ডাঁৰডালত সংলগ্ন হৈ আলংকাৰিকভাৱে বহুখিনি বঢ়াই টানি নিয়া দেখা যায়।

- শব্দবোৰ সাধাৰণতে একেলগে লিখি যোৱা, অর্থাৎ শব্দৰ বিভাজন দেখুওৱা নহয়। অৱশ্যে ছন্দৰ ৰূপটো স্পষ্ট কৰিবলৈ কোনো কোনো পুথিত ছটা (দুলড়ীৰ ক্ষেত্ৰত) বা আঠটা আখৰৰ (ছবিৰ ক্ষেত্ৰত) অন্তত সমান (=) চিহ্ন দিয়া চকুত পৰে।
- আখৰৰ কোণসমূহ সুস্পষ্ট ইত্যাদি।

➢ *বামুণীয়া লিপি ঃ* "সংস্কৃত ভাষা-সাহিত্যৰ চর্চা চলা টোলবোৰক কেন্দ্ৰ কৰি পুথি-পাঁজি নকল কৰাৰ ৰীতিয়ে মধ্যযুগীয় অসমত গা কৰি উঠিছিল, সেয়ে 'বামুণীয়া লিপি' শৈলীৰূপে পৰিচিত।" বামুণীয়া লিপি অসমীয়া লিপি আৰু নাগেৰী লিপিৰ সংমিশ্ৰণত গঢ় লোৱা লিপি। পুৰণি অসমৰ সংস্কৃত টোলবোৰক কেন্দ্ৰ কৰি এই লিপিয়ে বিকাশ লাভ কৰিছিল।

সত্যেন্দ্ৰনাথ শর্মাদেৱে বামুণীয়া লিপি সম্পর্কত লিখিছে— "অ আ সাধাৰণতে ***দেৱনাগৰী*** গঢ়ৰ, দ আখৰো দেৱনাগৰীৰ কায চপা, ঠ-ৰ ওপৰৰ টিকনিডাল সাধাৰণতে নাথাকে বা বৰ চুটি আৰু ভূমিফালে টিকনি এডাল আগবাঢ়ি যায়। ক, গ, ট, প, হ আদিৰ আকাৰ যৎসামান্য পৃথক। কোণবোৰ কাইথেলীৰ দৰে তীক্ষ্ণ বা স্পষ্ট নহয়।" উল্লেখযোগ্য যে বামুণীয়া আখৰৰ কোণবোৰ কিছু পৰিমাণে বর্তুলাকাৰ— কাইথেলীৰ দৰে স্পষ্ট নহয়। অসম চৰকাৰৰ 'বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ'ত সংৰক্ষিত শ্ৰীধৰ স্বামীকৃত *শ্ৰীমদ্‌ভাগৱত গীতাৰ* সুবোধিনী টীকাৰ আখৰ বামুণীয়া শৈলীৰ। সেইদৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গ্ৰন্থাগাৰত সংৰক্ষিত (পুথি নং ১৭৬) *ভক্তি-ৰত্নাৱলীৰ* আখৰক মহেন্দ্ৰ বৰাই বামুণীয়া শৈলীৰ বুলি অভিহিত কৰিছে।



দেৱনাগৰী *ঃ* নাগৰী; সংস্কৃত হিন্দী আদি ভাষা লিখা লিপি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) অসমীয়া লিপিৰ কোন লিপিৰ পৰা বিকাশ সাধন হৈছে মধ্যযুগীয় অসমীয়া লিপিৰ প্ৰধান শৈলী তিনিটা।

(খ) 'গড়গঞা লিপি' নামকৰণটি সেই সময়ৰ আহোম ৰাজধানী গড়গাঁওক কেন্দ্ৰ কৰি এই লিপি শৈলীটিয়ে বিকশিত হোৱা বাবে কৰা হৈছে।

(গ) বুৰঞ্জীসমূহ প্ৰথমতে টাই লিপিত লিখা হৈছিল।

(ঘ) কাইথেলী লিপিটো নামকৰণ কৰা হৈছে ভৌগোলিক কাৰকৰ বাবে।

(ঙ) বামুণীয়া লিপি অসমীয়া আৰু নাগেৰী লিপিৰ সংমিশ্ৰণত গঢ় লোৱা লিপি।

.....

.....

১.৬.৩ আধুনিক অসমীয়া লিপি

মধ্যযুগীয় অসমীয়া লিপিৰ গড়গঞা, কাইথেলী আৰু বামুণীয়া এই উপবিভাগকেইটা সময়ৰ সোঁতত কেতিয়া সানমিহলি হৈ পৰিল কোৱা টান। কিন্তু ইং ১৮১৩ চনত শ্ৰীৰামপুত থকা মিছনেৰীসকলে নগাঁৱৰ আত্মাৰাম শৰ্মাৰ হতুৱাই অসমীয়া *বাইবেল*খন (*ধৰ্মপুস্তক*) ছপা কৰি উলিওৱাৰ লগে লগে মধ্যযুগীয় অসমীয়া লিপিৰ সময়সীমাৰ অৱসান ঘটে আৰু আধুনিক অসমীয়া লিপিৰ ধাৰা আৰম্ভ হয়। নন্দ তালুকদাৰৰ মতে প্ৰথম ছপা গ্ৰন্থ বাংলা গ্ৰন্থৰ হৰফতকৈ বেলেগ আছিল। "অসমীয়া ছপা গ্ৰন্থখনিৰ আখৰৰ গঢ় ভালেখিনি সাঁচিপতীয়া আখৰৰ গঢ়ৰ।" আনহাতে মহেশ্বৰ নেওগে লিখিছে, "ছপাখানাৰ হৰফ পুৰণি অসমীয়া লিপি নহয়, বৰং শ্ৰীৰামপুৰত মুদ্ৰণ কৰাৰ সম্পৰীক্ষাৰ এই কালছোৱাৰ কোনো ছপা বঙলা হৰফৰে ই প্ৰকাৰভেদ।" উপেন্দ্ৰনাথ গোস্বামীদেৱৰ মতে মিছনেৰীসকলে অসমীয়াত *ধৰ্মপুস্তক* ছপাওঁতে সাঁচিপতীয়া পুথিৰ আখৰৰ আৰ্হিতে ছপা কৰে। পিছত সাঁচিপাতৰ মাত্ৰ কৃ, হ্ন, কু, হু আখৰকেইটাৰ পুৰণি ৰূপৰ সলনি কৰাত সেই লিপি সম্পূৰ্ণ আধুনিক ৰূপত পৰিণত হ'ল। ইয়াৰ পাছত ১৮৩৯ চনত ৰবিনছনৰ *অসমীয়া ব্যাকৰণ*, ১৮৪৬ চনত *অৰুনোদই* কাকত ইত্যাদিৰ জৰিয়তে ছপা আখৰৰ প্ৰচলন আৰম্ভ হয়। পৰৱৰ্তী কালত আধুনিক ছপা-যন্ত্ৰৰ বিবিধ কলা-কৌশলৰ পৰিৱৰ্তনে ছপা আখৰবোৰকো সময়ে সময়ে একোটা গঢ় দি আহিছে।

জানি থোৱা ভাল



ধৰ্মপুস্তকত অসমীয়া 'ৰ' আৰু 'ৱ' আখৰ দুটাৰ ব্যৱহাৰ আছিল। ১৮১৩ চনত ছপা *ধৰ্মপুস্তকৰ* 'ৰ' আখৰৰ দুটা ৰূপ আছিল 'ৰ' আৰু 'ৱ'। ৰবিনছনে *অসমীয়া ব্যাকৰণত* 'ৱ' আখৰটো ব্যৱহাৰ কৰিছে। *অৰুনোদইৰ* প্ৰথম বছৰৰ সংখ্যাতো 'ৱ' আখৰৰ ব্যৱহাৰ পোৱা গৈছে। 'ৱ' আখৰটোৰ বহুল প্ৰচলনৰ বাবে হেমচন্দ্ৰ বৰুৱাই যথেষ্ট চেষ্টা কৰিছিল।

১.৭ কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি (খ্ৰীঃ ত্ৰয়োদশ শতাব্দী)

উত্তৰ গুৱাহাটীৰ মণিকৰ্ণেশ্বৰ মন্দিৰৰ ওচৰত ৰংমহলৰ পূব-দক্ষিণ কোণত থকা কানাই বৰশীবোৱা শিলাখণ্ডত খোদিত লিপিখনেই কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি। সম্পূৰ্ণ অসমীয়া আখৰৰ এইখনি বৰ্তমানলৈকে আৱিষ্কৃত প্ৰথম ফলি। ১৯১৮ চনত এজন সন্ন্যাসীয়ে কানাই বৰশীবোৱা শিলৰ কাষৰ হাবি কটাই মুকলি কৰোঁতে ফলিখনি উদ্ধাৰ হয়। সোণাৰাম চৌধুৰীয়ে ফলিখনিৰ কথা প্ৰথমে সদৰি কৰে। তেওঁ অসম উপত্যকা বিভাগৰ কমিছনাৰ কৰ্ণেল পি. আৰ. টি. গৰ্ডনক ফলিখনিৰ কথা জানিবলৈ দিয়ে। গৰ্ডনে সবিশেষ বুজ লৈ কামৰূপ অনুসন্ধান


সমিতিৰ ১৯১৯ খ্ৰীষ্টাব্দৰ বছৰেকীয়া অধিৱেশনত 'A Rock Inscription ' শিৰোনামত এটি প্ৰবন্ধ পাঠ কৰে। পাছৰ কালত এইখনি ফলিৰ বিষয়ে ভালেমান আলোচনা হৈছে। তাৰ ভিতৰত পদ্মনাথ ভট্টাচাৰ্যই *Indian Historical Quarterly* (December, 1927) আৰু *কামৰূপ শাসনাৱলীৰ* ভূমিকাত কৰা আলোচনা, কনকলাল বৰুৱাই *Early History of Kamrupa* গ্ৰন্থত, সোণাৰাম চৌধুৰীয়ে 'ৰংমহল' শীৰ্ষক প্ৰবন্ধত (*আৱাহন* ১/৫ সংখ্যা), সৰ্বেশ্বৰ কটকীয়ে 'অসমৰ শিলৰ ফলি' (*মিলন* ১.১, ১৮৪৫ শক) নামৰ প্ৰবন্ধ আৰু মহেশ্বৰ নেওগে *প্ৰাচ্য-শাসনাৱলীত* কৰা আলোচনা বিশেষভাৱে উল্লেখযোগ্য। কানাই বৰশীবোৱা শিলাখণ্ডত এটি শ্লোক খোদিত হৈছে। মুঠ তিনিটা শাৰীত সম্পূৰ্ণ হোৱা এই ফলিখনিৰ পাঠ হ'ল —

শাক ১১১৭

শাকে তুৰগ-যুগ্মেশে মধুমাস-ত্ৰয়োদশে।
কামৰূপং সমাগত্য তুৰুষ্কঃ ক্ষয়মাযযু।।

শ্লোকটিৰ অৰ্থ— ১১১৭ শকৰ চ'ত মাহৰ ১৩ দিনৰ দিনা কামৰূপলৈ আহি তুৰুষ্কসকল ধ্বংসপ্ৰাপ্ত হয়।

চিত্ৰ ২.৪ ঃ কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক- ক্ষয়ৰ ফলি



উৎস ঃ *অসমীয়া প্ৰাচীন লিপি*, সৰ্বেশ্বৰ কটকী

'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি' অসমীয়া লিপি আৰু প্ৰাচীন অসমৰ ইতিহাস অধ্যয়নৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ সমল। ত্ৰয়োদশ শতিকাৰ আদি স্তৰৰ অসমীয়া আখৰৰ নিদৰ্শন এইখন লিপিতে সংৰক্ষিত হৈছে। তদুপৰি ইতিহাসৰ দৃষ্টিৰে এইখন লিপিয়েই হৈছে প্ৰথম মুছলমানৰ অসম আক্ৰমণৰ লিপিবদ্ধ নিদৰ্শন। ১১০৫-০৬ খ্ৰীষ্টাব্দৰ তুৰুষ্কসকলৰ সেনাপতি মহম্মদ-ই বখ্তিয়াৰ খিলিজিয়ে সসৈন্যে কামৰূপ আক্ৰমণ কৰি পৰাজয় বৰণ কৰাৰ তথ্য এই শিলালিপিয়ে প্ৰথমে জানিবলৈ দিয়ে। এইখন শিলালিপিৰ আখৰৰ বৈশিষ্ট্য এনেধৰণৰ—

(১) 'ক্ষ' আখৰে সম্পূৰ্ণ আধুনিক ৰূপ লৈছে

(১) শ, ম, ত, ক আদি আখৰ আধুনিক আখৰৰ লগত প্ৰায় একে

(৩) 'ধ' আখৰৰ আকৃতি মাত্ৰাহীন 'য' ৰ দৰে

(৪) সংস্কৃতত লিখা হ'লেও আখৰ স্থানীয় গঢ়ৰ ইত্যাদি।

১.৮ চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি

চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলি এখন নহয়, দুখন। তেজপুৰ নগৰৰপৰা প্ৰায় ৮ কিলোমিটাৰমান পূবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত, ভৰলী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলৰ কাষৰ চামধৰা আৰু ভোমোৰাগুৰি পাহাৰত আহোম স্বৰ্গদেউ প্ৰতাপসিংহ বা স্বৰ্গনাৰায়ণদেৱৰ ৰণজয়ৰ মুঠ তিনিখন শিলালেখ আছে। ইয়াৰে দুখন 'চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি' আৰু আনখন 'ভণ্ডাৰী গোসাঁইৰ গড় নিৰ্মাণৰ শিলৰ ফলি'। এটা শৈলস্তম্ভৰ দুটা ফালত চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলি দুখন উৎকীৰ্ণ হৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে প্ৰথমতে শিলালেখ দুখনৰ পাঠ উদ্ধাৰ কৰি সেই সময়ৰ *আলোচনীত* (৭ম বছৰ, ১১ শ সংখ্যা) প্ৰকাশ কৰিছিল। গোস্বামীদেৱৰ মতে ফলিত উল্লেখ থকা ৰণখন হৈছে চৈয়দ বাবাকৰৰ অধীনৰ মোগল সৈন্যৰ লগত ভৰলীমুখত হোৱা আহোমৰ যুদ্ধ। এই যুদ্ধত আহোমসকল জয়ী হৈছিল। ফলি দুখনৰ সময় খ্ৰীষ্টীয় সপ্তদশ শতিকা।

মহেশ্বৰ নেওগদেৱে *প্ৰাচ্য-শাসনাৱলী* গ্ৰন্থত চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলিৰ বিষয়ে লিখিছে— "ফলি দুখনৰ বিশেষ এটি মূল্য হ'ল যে এখনৰ আধা আৰু আনখন সম্পূৰ্ণ অসমীয়া ভাষাত লেখা। ইয়াৰ আগৰ শুদ্ধ অসমীয়া ভাষাত লেখা শিল, তাম আদিৰ কোনো ফলি এতিয়াও পোৱা হোৱা নাই।" *প্ৰাচ্য-শাসনাৱলী* গ্ৰন্থত উল্লেখ থকা মতে ফলি দুখনিৰ পাঠ এনে—

১

ঁ ৭ স্বস্তি সমুত্তুঙ্গ-সকল -কলা-কলিত- কলেৱৰ-নানা-গুণ-গ্ৰাম-ৱিশ্ৰাম-ধাম-প্ৰচণ্ড-প্ৰতাপানল-তাপিত-ভূপ-চূড়ামণি-শেখৰ-শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ-ৱিষম-সমৰ-ৱিজয়িনঃ।

শ্ৰীভাণ্ডাৰী গোসাই। লাঙ্গিৰ্পো গোসাই। বড় ফুকন নায়সলিয়ারাই। চামধৰা সিমা কৰি হাৰুণিদাৰুণিলৈ গঢ়। শক। ১৫৩৮।।

১

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ন জয় জয়। শ্ৰীফুলুঙ গোসাই। শ্ৰীকুলুতা গোসাই। শ্ৰীজদু বৰুৱা জয় হল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ খালি ঠাই পূৰণ কৰক—

(ক) কানাই বৰশীবোৱা শিলৰ তুৰষ্ক-ক্ষয়ৰ ফলিখন উদ্ধাৰ হয় ..... চনত।

(খ) চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি .....।

প্ৰশ্ন নং ৯ ঃ 'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি'খনৰ আখৰৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

১.৯ লেখন সামগ্রী

পুৰণি অসমত লেখন সামগ্রীৰূপে বিবিধ বস্তুৰ ব্যৱহাৰ হৈছিল। তাৰে ভিতৰত প্ৰধান কেইবিধমান তলত উল্লেখ কৰা হ'ল—

- **শিল ঃ** মানৱ সভ্যতাৰ আৰম্ভণিৰ সময়ৰেপৰা শিলৰ ওপৰত চিত্ৰ, লিপি আদি খোদিত কৰাৰ প্ৰচেষ্টা চলি আহিছে। বিভিন্ন প্ৰকাৰৰ শিল, যেনে — পৰ্বত-পাহাৰৰ ডাঙৰ শিল, শিলাস্তম্ভ, শিলালেখা, শৈল-প্ৰতিমাৰ পশ্চাৎদেশ আৰু বেদিকা ইত্যাদিত লিপি উৎকীৰ্ণ কৰা দেখা যায়। উদাহৰণস্বৰূপে— ভোমোৰাগুৰিৰ প্ৰকাণ্ড আগ্নেয় শিলৰ খোদিত 'ভণ্ডাৰী গোসাঁইৰ গড় নিৰ্মাণৰ শিলৰ ফলি', ১৫৩৮ শকৰ চামধৰা গড়ৰ ৰণজয়ৰ বাৰ্তা খোদিত শৈলস্তম্ভ, শুক্ৰেশ্বৰ মন্দিৰৰ শিলৰ ফলি, নগাঁও- কলিয়াবৰ- কামাখ্যা মন্দিৰৰ জঙঘা-খচিত ফলি, ছয়গাঁও চণ্ডিকা দেৱালয়ৰ শিলৰ ফলি ইত্যাদি উল্লেখযোগ্য।
- **তাম ঃ** অসমত প্ৰাপ্ত তামত উৎকীৰ্ণ লিপিৰ ক্ষেত্ৰত বলৰৰ্মা, বনমালৰৰ্মা আৰু ইন্দ্ৰপালদেৱৰ তাম্ৰশাসনবোৰ উল্লেখযোগ্য।
- **সোণ, ৰূপ, পিতল, কাঁহ ঃ** লেখন সামগ্রীৰূপে সোণৰ ব্যৱহাৰ কিছু দেশত পোৱা যায়। অসমৰ আহোমসকলৰ মাজতো সোণৰ পাতত লিখা ৰীতি আছিল বুলি জনা যায়। ৰূপৰ ক্ষেত্ৰত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱী পীঠলৈ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই ১৬৭৯ শকত আগবঢ়োৱা ৰূপৰ জাপিত উৎকীৰ্ণ লিপি, পিতলৰ ক্ষেত্ৰত অসমৰ সুন্দৰীদিয়া সত্ৰত থকা পিতলৰ ফলক আৰু কাঁহৰ ক্ষেত্ৰত লক্ষীমপুৰৰ ওচৰৰ বাসুদেৱ থানলৈ আগবঢ়োৱা বৰকাঁহৰ ওপৰত খোদিত লিপি মন কৰিবলগীয়া। তদুপৰি লোৰ বৰটোপ, হাতীৰ দাঁত, কাঠৰ ফলক, বাঁহৰ কামি, ম'হ, পহুৰ ছাল আদিত লিখা উদাহৰণো অসমীয়া লিপিৰ অধ্যয়নৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ।
- **কাপোৰ ঃ** অসমত সূতা কাপোৰ, পাট আৰু মুগাৰ কাপোৰ লেখন সামগ্রীৰূপে ব্যৱহৃত হৈছিল। এইবোৰ কাপোৰত মাটিমাহ, বৰা বা আন এঠাযুক্ত চাউলৰ গুড়ি আৰু অন্যান্য সামগ্রী দি কট্‌কটীয়া কৰা হৈছিল আৰু পাছত তাক জাপি পুথিৰ আকাৰ দিয়া হৈছিল। মুগাৰ কাপোৰত মহাপুৰুষ মাধৱদেৱৰ *নামঘোষা*খনি লিখি উজনিৰ চামগুৰি সত্ৰত সংৰক্ষণ কৰাটো এইখিনিতে উল্লেখযোগ্য।
- **ভূৰ্জপত্ৰ ঃ** ভূৰ্জপত্ৰ প্ৰকৃততে ভূৰ্জগছৰ বাকলিহে, পাত নহয়। অসমত মন্ত্ৰৰ লেখন আৰু যন্ত্ৰ অংকনৰ ক্ষেত্ৰত ভূৰ্জপাত ব্যৱহাৰ হৈছিল আৰু সেইবোৰ ভোট দেশৰ (ভূটান) পৰা আমদানি কৰা হৈছিল।
- **সাঁচিপাত ঃ** সাঁচি বা অগৰু গছৰ ছালৰপৰা যি লেখন সামগ্রী প্ৰস্তুত কৰা হয় তাৰ নামেই সাঁচিপাত। উত্তৰ-পূব ভাৰতৰ ভিতৰত একমাত্ৰ অসমতে লেখন সামগ্রীৰূপে সাঁচিপাতৰ ব্যৱহাৰ হোৱাৰ প্ৰমাণ পোৱা যায়। কুমাৰ ভাস্কৰবৰ্মাই উত্তৰ ভাৰতৰ হৰ্ষ শিলাদিত্যলৈ উপঢৌকনৰূপে পঠোৱা নানা সামগ্রীৰ ভিতৰত অগৰুৰ বাকলিত লিখা সুভাষিত বচনৰ সংগ্রহ পুথি আছিল অন্যতম। মধ্যযুগৰ সৰহ সংখ্যক পুথি এই সাঁচিপাততে লিখা হৈছিল।

- **তুলাপাত ঃ** কপাহেৰে প্ৰস্তুত কৰা লেখন সামগ্ৰীৰ নামেই তুলাপাত। অনুমান কৰা হয় যে খ্ৰীষ্টজন্মৰ পূৰ্বতে অসমীয়া মানুহে তুলাপাত প্ৰস্তুত কৰা উপায়টো উদ্ভাৱন কৰি লৈছিল। বৰ্তমানে কামৰূপ অনুসন্ধান সমিতি, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ উপৰি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰত কিছুসংখ্যক তুলাপতীয়া পুথি সংৰক্ষণ কৰি ৰখা হৈছে।
- **চিয়াঁহী ঃ** পুৰণি কালত অসমীয়া লোকে উন্নতমানৰ চিয়াঁহী প্ৰস্তুত কৰিব জানিছিল। বুৰঞ্জীবিদ্ বেণুধৰ শৰ্মাই লিখিছে— "চৰু ছাই বা বৰা চাউলৰ ছাই, কেহৰাজৰ ৰস, লোৱাচুৰ, গৰুমূত, শিলিখা, আমছাল, ডামছাল— এইবোৰ বস্তু একেলগে লৈ কেৰাহীত সিজাই মাটিৰ চৰুটোত ভৰাই নিয়ৰত থৈ দিব লাগে। চৰুটোৰ বাহিৰে যি ৰস ঘামি নিগৰি ওলাব সেয়ে অসমীয়া ***মহী***।"
- **লেখনী ঃ** লেখনী কাপ নামেৰেও পৰিচিত। তালপাত, ভূজপাত বা সাঁচিপাতৰ ওপৰত চিয়াঁহীৰে যি বিধ সামগ্ৰীৰে লিখা হয় সিয়েই মহীচুঙা।
- **মহীচুঙা ঃ** চিয়াঁহী ৰখা পাত্ৰটোৰ নাম মহীচুঙা। মধ্যযুগৰ অসমত চিয়াঁহী বা মহী বাঁহৰ চুঙাত ৰখা হৈছিল। সেইবাবে ইয়াৰ নাম মহীচুঙা।
- **কুটনী ঃ** কম্পাচৰ দৰে জোখ লৈ চিন দিয়া যতনবিধৰ নাম কুটনী। সাঁচিপাত, তুলাপতীয়া পুথিৰ শাৰীবোৰ সমান কৰিবলৈ কুটনীৰে জোখ লোৱা হৈছিল।
- **আঁকমাৰী ঃ** বাঁহ বা কাঠেৰে নিৰ্মিত পোন স্কেলডালৰ নাম আঁকমাৰী।
- **বিন্ধনা ঃ** তাল, ভূজ, সাঁচি বা তুলাপাতৰ নাভিদেশ উন্মুক্ত কৰিবলৈ ধাতুৰে নিৰ্মিত যি সঁজুলি ব্যৱহাৰ কৰা হৈছিল, তাৰ নামেই বিন্ধনা।



মহী ঃ অসমত চিয়াঁহীক মহী নামেৰে জনা যায়।



চিন্তা-চৰ্চা কৰক — ১.১

ছাৰ এডৱাৰ্ড গেইটৰ *অসম বুৰঞ্জী*ত সাঁচিপাত প্ৰস্তুতিৰ বিৱৰণী আছে, সেয়া অধ্যয়ন কৰি এটি টোকা প্ৰস্তুত কৰক।

.....

.....

.....

.....

.....

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১০ ঃ তলৰ কোনটো পুৰণি অসমৰ লেখন সামগ্ৰীৰ অন্তৰ্ভুক্ত নহয় —

(ক) সাঁচিপাত (খ) কাপোৰ

(গ) তাম্ৰপত্ৰ (ঘ) পিপিৰাচ

.....



১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্ৰতীক-চিহ্ন অথবা ৰেখাচিত্ৰৰ সহায়ত ৰূপ দিয়া হয় তাৰ নামেই লিপি। খ্ৰীঃপূঃ ছ-হাজাৰ বছৰমানত লিপিৰ প্ৰাৰম্ভিক বিকাশ হোৱা বুলি অনুমান কৰা হৈছে।
- প্ৰাচীন ভাৰতীয় লিপিমালাই প্ৰধানতঃ খৰোষ্ঠী আৰু ব্ৰাহ্মী এই দুই শাখাৰ মাজেৰে বিকাশ লাভ কৰিছিল।
- পূব ভাৰতৰ এটা স্বতন্ত্ৰীয়া লিপি হ'ল অসমীয়া লিপি। ব্ৰাহ্মী লিপিৰ পৰাই এই লিপিয়ে বিকাশ লাভ কৰিছে বুলি কোৱা হয়।
- অসমত খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰাই লিপিৰ নিদৰ্শন পোৱা গৈছে। অসমত লেখন সামগ্ৰীৰূপে বিবিধ বস্তুৰ ব্যৱহাৰ হৈছিল।
- খ্ৰীষ্টীয় পঞ্চম শতিকাৰপৰা আৰম্ভ কৰি পৰৱৰ্তী কালত পোৱা বিভিন্ন শিলালেখ আৰু তামৰ ফলিৰ লিপিৰ অধ্যয়নে এই কথা স্পষ্টভাৱে দেখুৱাই দিয়ে যে অসমীয়া লিপিটো অসমৰ শিলালেখ আৰু তামৰ ফলিৰোৱত ব্যৱহৃত লিপিৰ বিকাশপ্ৰাপ্ত এটা ৰূপ। অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি— (১) পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি (খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰা ঊনবিংশ শতিকাৰ পৰ্যন্ত), (১) মধ্যযুগীয় অসমীয়া লিপি (খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ মাজভাগলৈ), (৩) আধুনিক অসমীয়া লিপি (ঊনবিংশ শতিকাৰ মাজভাগৰপৰা বৰ্তমানলৈ)।
- মধ্যযুগীয় অসমীয়া লিপিক গড়গঞা, কাইথেলী আৰু বামুণীয়া — এই তিনিটা ভাগত বিভাজন কৰা হয়।
- খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীৰ 'কানাই বৰশীবোৱা শিলৰ তুৰস্ক-ক্ষয়ৰ ফলি' সম্পূৰ্ণ অসমীয়া আখৰৰ বৰ্তমানলৈকে আৱিষ্কৃত প্ৰথমখন ফলি।
- ইংৰাজী ১৮১৩ চনত আত্মাৰাম শৰ্মাই অনুবাদ কৰা *বাইবেল*খন (*ধৰ্মপুস্তক*) ছপা হৈ ওলোৱাৰ লগে লগে মধ্যযুগীয় অসমীয়া লিপিৰ যুগটো অৱসান ঘটে আৰু তেতিয়াৰপৰা আধুনিক অসমীয়া লিপিৰ ধাৰা আৰম্ভ হয়।



১.১১ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (১৯৭৯); *অসমীয়া প্ৰাচীন লিপি;* গুৱাহাটী।
১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৭); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।
৩) দাস, নাৰায়ণ (১৯৯৭); *বিশ্বলিপিৰ ভূমিকা;* গুৱাহাটী ঃ ডেকো পাবলিকেচনচ্।
৪) নেওগ, মহেশ্বৰ (১৯৭৪); *প্ৰাচ্য- শাসনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

ইংৰাজী গ্ৰন্থ ঃ

৫) Bora. M. (1981).*The Evolution of Assamese Script.* Jorhat: Assam Sahitya Sabha.
৬) Verma, T. P.(1976). *Development of Script in Ancient Kamrupa.* Jorhat: Assam Sahitya Sabha.



১.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) অশুদ্ধ ঘ) অশুদ্ধ ঙ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰতীক চিহ্ন বা ৰেখা চিহ্ন খ) ৬ টা গ) খ্ৰীঃ পূঃ পঞ্চম শতিকা ঘ) গুপ্তলিপিৰ পৰা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ড লিপিখনেই হৈছে এতিয়ালৈকে প্ৰাপ্ত অসমীয়া লিপিৰ প্ৰাচীনতম নিদৰ্শন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বেশ্বৰ কটকী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গুপ্তকালীন ব্ৰাহ্মী লিপিৰ উত্তৰ ভাৰতীয় পূৰ্বী শাখাৰ পৰা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ক) তিনিটা খ) ১৯৭১ গ) ৩৩ টা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) অশুদ্ধ ঙ) শুদ্ধ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ১৯১৮ চনত গ) দুখন।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি'খনৰ আখৰৰ প্ৰধান বৈশিষ্ট্যসমূহ

হ'ল — ইয়াত 'ক্ষ' আখৰে সম্পূৰ্ণ আধুনিক ৰূপ লৈছে আৰু শ, ম, ত, ক আদি আখৰ আধুনিক আখৰৰ লগত প্ৰায় একে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ (ঘ) পিপিৰাচ



১.১৩ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) খৰোষ্ঠী লিপিয়ে কেতিয়া বিকাশ লাভ কৰে?

খ) আধুনিক অসমীয়া লিপিৰ কাল কেতিয়া আৰম্ভ হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

(ক) ব্ৰাহ্মী লিপি (খ) খৰোষ্ঠী লিপি

(গ) কুটিল লিপি (ঘ) মধ্যযুগীয় অসমীয়া লিপি

(ঙ) গড়গঞা লিপি (চ) বামুণীয়া লিপি

(ছ) কাইথেলী লিপি (জ) চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি

(ঝ) কানাই ৱৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া লিপিৰ যুগবিভাজন কিদৰে কৰা হৈছে? প্ৰতিটো ভাগৰে বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ মধ্যযুগীয় অসমীয়া লিপিৰ প্ৰধান ভাগ কেইটা আৰু কি কি? প্ৰতিটো ভাগৰে বৈশিষ্ট্য নিৰূপণ কৰক।

প্ৰশ্ন ৪ ঃ খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰপৰা বৰ্তমানলৈকে অসমীয়া লিপিৰ বিকাশৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

*** ***** ***